প্রতিৰক্ষা মন্ত্রী শ্রী ৰাজনাথ সিঙে তাজিকিস্তানত অনুষ্ঠিত হ'বলগীয়া এছচিঅ'ৰ হেডছ অব্ গভর্ণমেন্ট কাউন্সিলৰ বৈঠকত ভাৰতক প্রতিনিধিত্ব কৰিব

প্রতিৰক্ষা মন্ত্রী শ্রী ৰাজনাথ সিঙে 19–20 অক্টোবৰ 2026 ত অনুষ্ঠিত হ'বলগীয়া এছচিঅ'ৰ কাউন্সিল অব্ হেডছ অব্ গভর্ণমেন্ট (চিএইচজি) ৰ 25 সংখ্যক বৈঠকত ভাৰতক প্রতিনিধিত্ব কৰিবলৈ তাজিকিস্তানৰ দুছানবেলৈ ভ্রমণ কৰিব।

2. বৈঠকখনত বিশেষকৈ বাণিজ্য, অর্থনীতি, বিনিয়োগ, সংযোগ, উদ্ভাৱন আৰু সাংস্কৃতিক-মানৱীয় আদান-প্রদানৰ ক্ষেত্রসমূহত এছচিঅ'ৰ সদস্য ৰাষ্ট্রসমূহৰ মাজত বহুপক্ষীয় সহযোগিতা শক্তিশালী কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হ'ব। বৈঠকখনত চলি থকা সহযোগিতাৰ পদক্ষেপসমূহৰ অগ্রগতি পর্যালোচনা কৰাৰ লগতে সংগঠনটোৰ বিত্তীয় আৰু প্রতিষ্ঠানিক কার্যপ্রণালী সম্পর্কীয় সিদ্ধান্তসমূহ বিবেচনা কৰাৰো আশা কৰা হৈছে।

3. ভাৰতে এছচিঅ'ৰ বিভিন্ন ব্যৱস্থাসমূহৰ সৈতে সক্রিয়ভাৱে জড়িত হৈ আছে আৰু ষ্টার্টআপ তথা উদ্ভাৱন, ডিজিটেল ৰাজহুৱা আন্তঃগাঁথনি আৰু জনসাধাৰণৰ মাজত আদান-প্রদানৰ দৰে ক্ষেত্রসমূহত গ্রহণ কৰা পদক্ষেপৰ জৰিয়তে আঞ্চলিক সহযোগিতালৈ নিৰন্তৰ অৰিহণা যোগাই আহিছে।

4. বৈঠকখনে ভাৰতক সংগঠনটোৰ ভিতৰত ব্যৱহাৰিক আৰু পৰস্পৰৰ বাবে লাভজনক সহযোগিতা আগবঢ়াই নিয়াৰ বিষয়ে এছচিঅ'ৰ অন্যান্য সদস্য ৰাষ্ট্রসমূহৰ সৈতে মত বিনিময় কৰাৰ এক সুযোগ প্রদান কৰিব।

5. পূর্বৰ চিএইচজি বৈঠকখন 18 নৱেম্বৰ 2025 ত ৰাছিয়াৰ মস্কোত অনুষ্ঠিত হৈছিল, য'ত বৈদেশিক পৰিক্রমা মন্ত্রী ড° এছ জয়শংকৰে ভাৰতক প্রতিনিধিত্ব কৰিছিল।

নতুন দিল্লী

অক্টোবৰ 19, 2026